NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰুনেইৰ চুলতান হাজি হছনল বোল্কিয়াৰ সৈতে আলোচনাত মিলিত হ'ব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মহাৰাষ্ট্ৰৰ লাটুল জিলাৰ উদগীৰত বিশ্ব শান্তি বৌদ্ধ বিহাৰ মুকলি কৰিব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ, এন এল এফ টি আৰু এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত এখন চুক্তি স্বাক্ষৰিত হ'ব।

৪। বিশ্ব বেংকে কৈছে যে প্ৰত্যাহ্বানজনক বাহ্যিক পৰিস্থিতি সত্বেও ভাৰত সম্পৰ্কীয় মধ্যৱৰ্তী সময়ছোৱাৰ দৃষ্টিভংগী ইতিবাচক হৈ থকাৰ সম্ভাৱনা আছে। ***আৰু***

৫। ভাৰতে কালি পেৰিছ পেৰালিম্পিকত পাঁচটা পদক অৰ্জন কৰে। ইয়াকে লৈ ভাৰতে এইবাৰৰ অলিম্পিকত লাভ কৰা পদকৰ সংখ্যা ২০লৈ বৃদ্ধি পালে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰুনেইৰ চুলতান হাজি হছনল বোল্কিয়াৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাৰ মাজৰ এই আলোচনাত দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰ অন্বেষণৰ বিষয়টো সামৰি লোৱাৰ সম্ভাৱনা আছে। শ্ৰীমোদী ব্ৰুনেই আৰু ছিংগাপুৰৰ দ্বিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত কালি বন্দৰ চেৰী বেগৱানত উপস্থিত হয়। চহৰখনত উপস্থিত হোৱাৰ সময়ত দেশখনৰ যুৱৰাজ তথা প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ জ্যেষ্ঠ মন্ত্ৰী হাজি অল-মুহতাদি বিল্লাহে প্ৰধানমন্ত্ৰীক আনুষ্ঠানিকভাৱে আদৰণি জনায়। শ্ৰীমোদী দ্বিপাক্ষিক ভ্ৰমণসূচীৰে ব্ৰুনেইলৈ যোৱা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। তেওঁ ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ বছৰীয়া বাৰ্ষিকী উপলক্ষে দেশখনলৈ গৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কালি বন্দৰ চেৰী বেগৱানত থকা ভাৰতীয় উচ্চায়োগৰ নতুন খণ্ডপীঠ মুকলি কৰে। তেওঁ লগতে অ'মৰ আলী চেইফউদ্দিন মছজিদো পৰিদৰ্শন কৰে।

প্ৰধানমন্ত্ৰী মোদী তেওঁৰ যাত্ৰাৰ দ্বিতীয় পৰ্যায়ত আজি ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ আমন্ত্ৰণ মৰ্মে দেশখনলৈ বুলি ৰাওনা হ'ব। ভ্ৰমণ কালত নেতা দুগৰাকীয়ে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা চলাব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত-বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদী প্ৰায় ৬ বছৰৰ মূৰত ছিংগাপুৰলৈ যাব। ভাৰত আৰু ছিংগাপুৰৰ মাজত শক্তিশালী প্ৰতিৰক্ষা সহযোগিতা আছে। দুয়োখন দেশৰ মাজত ব্যৱসায় আৰু বিনিয়োগো ক্ৰমাৎ বৃদ্ধি পাইছে।

আছিয়ান ৰাষ্ট্ৰসমূহৰ ভিতৰত ছিংগাপুৰ ভাৰতৰ সবাতোকৈ বৃহৎ ব্যৱসায়িক সহযোগী আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অগ্ৰণী উৎস।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মহাৰাষ্ট্ৰৰ লাটুল জিলাৰ উদগীৰত বিশ্ব শান্তি বৌদ্ধ বিহাৰ মুকলি কৰিব। অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন, মুখ্যমন্ত্ৰী একনাথ সিন্দে, কেন্দ্ৰীয় মন্ত্ৰী ৰামদাস আঠাৱালে আৰু উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ আৰু অজিত পাৱাৰ উপস্থিত থাকিব। ৰাষ্ট্ৰপতিয়ে লগতে **শাসন অপল্যা দাৰি** আৰু **মুখ্যমন্ত্ৰী মাঝি লড়কী বহিন** যোজনাৰ হিতাধিকাৰী সকলকো সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতি মুৰ্মু নাদেড়ৰ টখ্‌ট ছচখণ্ড শ্ৰী হুজুৰ শ্বাহিদ গুৰুদ্বাৰো পৰিদৰ্শন কৰিব। শ্ৰীমুৰ্মু তিনি-দিনীয়া মহাৰাষ্ট্ৰ ভ্ৰমণসূচীৰে সম্প্ৰতি মহাৰাষ্ট্ৰত আছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ আৰু নেচনেল লিবাৰেশ্বন ফ্ৰণ্ট অব ত্ৰিপুৰা- এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ -এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত এখন চুক্তি স্বাক্ষৰিত হ'ব। চুক্তি সম্পাদনৰ সময়ত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহা আৰু গৃহ মন্ত্ৰালয় তথা ত্ৰিপুৰা চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

গৃহ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উগ্ৰবাদ, হিংসা আৰু সংঘৰ্ষমুক্ত উন্নত উত্তৰ-পূৰ্বাঞ্চল গঢ়াৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ উদ্দেশ্যে অক্লান্তভাৱে কাম কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চললৈ শান্তি আৰু সম্প্ৰীতি অনাৰ বাবে ইতিমধ্যে ১২ খন গুৰুত্বপূৰ্ণ চটুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিপুৰা সম্পৰ্কীয় ৩ খন চুক্তিও আছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত বিভিন্ন চুক্তিৰ বাবে প্ৰায় ১০ হাজাৰ উগ্ৰপন্থীয়ে অস্ত্ৰ ত্যাগ কৰি মূল সুঁতিলৈ ঘুৰি আহিছে।

০০০০০০০

বিশ্ব বেংকে কৈছে যে প্ৰত্যাহ্বানজনক বাহ্যিক পৰিস্থিতি সত্বেও ভাৰত সম্পৰ্কীয় মধ্যৱৰ্তী সময়ছোৱাৰ দৃষ্টিভংগী ইতিবাচক হৈ থকাৰ সম্ভাৱনা আছে। ভাৰত বিকাশ আপডেট ঃ পৰিৱৰ্ত্তিত গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ বাণিজ্যিক সুযোগ শীৰ্ষক বিশ্ব বেংকৰ শেহতীয়া প্ৰতিবেদন অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত দেশৰ বিকাশ হাৰ ৭ শতাংশলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ২০২৫-২৬ আৰু ২০২৬-২৭ বৰ্ষতো এই হাৰ শক্তিশালী হৈ থাকিব। প্ৰতিবেদনত লগতে ৰাজহ বৃদ্ধি আৰু বিত্তীয় সুদৃঢ়কৰণৰ ফলস্বৰূপে ঋণ আৰু মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ৮৩ দশমিক ৯ শতাংশৰ পৰা ২০২৬-২৭ বৰ্ষৰ ভিতৰত ৮২ শতাংশলৈ হ্ৰাস পাব বুলি কোৱা হৈছে। ২০২৬-২৭ বিত্তীয় বৰ্ষ পৰ্যন্ত কাৰেণ্ট একাউণ্ট ডেফিচিট অৰ্থাৎ ৰপ্তানিৰ বাবে হোৱা বিদেশী মুদ্ৰাৰ ব্যয় আৰু আমদানিৰ বাবে হোৱা ব্যয়ৰ মাজৰ ব্যৱধান ১ৰ পৰা ১ দশমিক ৬ শতাংশৰ ভিতৰত থকাৰ সম্ভাৱনা আছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ভাৰতৰ বিকাশ সম্পৰ্কীয় এই প্ৰতিবেদনত লগতে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৮ দশমিক ২ শতাংশ বিকাশ হাৰেৰে ভাৰত সবাতোকৈ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থা ৰূপে পৰিগণিত হ'ব বুলি কোৱা হৈছে। ভাৰতে ৰাষ্ট্ৰীয় পৰিবহন নীতি আৰু ডিজিটীয়

উদ্যমৰ জৰিয়তে নিজৰ প্ৰতিযোগিতাত্মক সামৰ্থ্য বৃদ্ধি কৰিছে আৰু ইয়াৰ ফলত ব্যৱসায়ৰ ব্যয় হ্ৰাস পাইছে বুলি প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সংসদীয় সমষ্টি বাৰাণসীত আৰম্ভ হোৱা 'লেব মিত্ৰ' নামৰ এটা বিশেষ পদক্ষেপক ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় ই-প্ৰশাসন সোণৰ বঁটা প্ৰদান কৰা হয়। কালি মুম্বাইত অনুষ্ঠিত ৰাষ্ট্ৰীয় ই-প্ৰশাসন সন্মিলনত এই বঁটা প্ৰদান কৰা হয়। ই-প্ৰশাসনত প্ৰশাসনীয় সংস্কাৰ আৰু জিলা পৰ্যায়ত গ্ৰহণ কৰা বিশেষ পদক্ষেপৰ বাবে এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে বিগত বৰ্ষৰ পৰা বাৰাণাসীত এই লেব মিত্ৰ পদক্ষেপ আৰম্ভ হৈছিল।

০০০০০০০

পশ্চিম বংগৰ সাহিত্য, নাটক আৰু চলচ্চিত্ৰ জগতৰ কেইবাগৰাকীও আগশাৰীৰ ব্যক্তিয়ে আৰ জি কৰ চিকিৎসালয়ৰ ঘটনাক লৈ ৰাজ্য চৰকাৰে প্ৰদান কৰা সন্মান ঘূৰাই দিয়াৰ কথা ঘোষণা কৰিছে। সন্মান ঘূৰাই দিয়া ব্যক্তিসকলৰ ভিতৰত অভিনেতা সুদীপ্ত চক্ৰৱৰ্ত্তী, নাট্যকৰ্মী বিপ্লৱ বঙ্গোপধ্যায় আৰু প্ৰসিদ্ধ অভিনেতা চন্দন সেন আছে।

সুদীপ্ত চক্ৰৱৰ্ত্তীয়ে তথ্য আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিবলৈ পত্ৰ প্ৰেৰণ কৰি কৈছে যে তেওঁ এই ঘটনাৰ প্ৰতিবাদকল্পে ২০১৩ চনৰ জুলাই মাহত মমতা বেনাৰ্জী চৰকাৰে প্ৰদান কৰা বিশেষ চলচ্চিত্ৰ পুৰস্কাৰ ঘূৰাই দিয়াৰ সিদ্ধান্ত লৈছে। একেদৰে নাট্যকৰ্মী বিপ্লৱ বঙ্গোপধ্যায়ে কৈছে যে তেওঁ চলিত বৰ্ষৰ আগভাগত পশ্চিম বংগ নাট্য একাডেমীয়ে প্ৰদান কৰা পুৰস্কাৰ ঘূৰাই দিব। তেওঁ লগতে ৰাজ্য চৰকাৰ আৰু আৰক্ষী বাহিনীয়ে ৯ আগষ্টত আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ তথ্য লুকুৱাব বিচাৰে বুলি অভিযোগ তোলে। অভিনেতা চন্দন সেনেও নাট্য একাডেমীয় প্ৰদান কৰা দীনবন্ধু মিত্ৰ পুৰস্কাৰ ঘূৰাই দিয়াৰ কথা ঘোষণা কৰিছে।

০০০০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কৈছে যে দেশখনৰ কেন্দ্ৰীয় চহৰ প'লটাভাৰ এখন সামৰিক প্ৰতিষ্ঠানত ৰাছিয়াই চলোৱা আক্ৰমণৰ ফলত কমেও ৪১ জন লোক নিহত হোৱাৰ লগতে ১৮০ জনতকৈ অধিক লোক আহত হৈছে। তেওঁ কয় যে চহৰখনত ৰাছিয়াই দুটা বেলিষ্টিক মিছাইলেৰে কালি এই আক্ৰমণ সংঘটিত কৰিছে। এই আক্ৰমণৰ ফলত বহু লোক এতিয়াও ধ্বংসাৱশেষৰ তলত আবদ্ধ হৈ আছে। স্থানীয় সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি যোৱা কেইটামান সপ্তাহত ৰাছিয়াই ইউক্ৰেইনত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন আক্ৰমণ তীব্ৰতৰ কৰি তুলিছে।ন

০০০০০০০

পেৰিছত অনুষ্ঠিত পেৰালিম্পিকত ভাৰতে কালি ৫টাকৈ পদক লাভ কৰে। ইয়াকে লৈ ভাৰতে এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে লাভ কৰা মুঠ পদকৰ সংখ্যা ২০টালৈ বৃদ্ধি হ'ল।

ইয়াৰ ভিতৰত ৩টা সোণ, ৮টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদক আছে। এয়া পেৰালিম্পিকৰ একেটা সংস্কৰণত ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰ পূৰ্বে ভাৰতে ভাৰতে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনেৰে টকিঅ পেৰালিম্পিকত মুঠ ১৯টা পদক লাভ কৰিছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে পেৰালিম্পিকত পদক জয় কৰা ভাৰতীয় খেলুৱৈ সকলক অভিন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধান মন্ত্ৰী গৰাকীয়ে কয় যে এই সকল খেলুৱৈক লৈ ভাৰত আজি গৰ্বিত। কালি অনুষ্ঠিত মহিলাৰ ৪০০ মিটাৰ টি-২০ শাখাৰ দৌৰত দীপ্তি জীৱনজীয়ে ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে পুৰুষৰ টি 63হাই জাম্প শাখাত শাৰদ কুমাৰে ৰূপ আৰু মৰিয়প্পান থাংগাভেলুৱে ব্ৰঞ্জৰ পদক লাভ কৰে । পুৰুষৰ জেভেলিন থ্ৰ'ৰ এফ ফৰটি ছিক্স শাখাত ভাৰতৰ অজিত সিঙে ৰূপ আৰু সুন্দৰ গুৰ্জাৰৰ ব্ৰঞ্জৰ পদক লাভ কৰে।

আজি খেলৰ সপ্তম দিনত ভাৰতীয় দলটোৱে আন কেইবাটাও প্ৰতিযোগিতাত পদক জয়ৰ লক্ষৰে অংশগ্ৰহণ কৰিব। আমাৰ সংবাদদাতাই জনোৱামতে ভাৰতীয় কেইবাগৰাকীও প্ৰতিযোগীয়ে চাইক্লিঙেৰে অভিযান আৰম্ভ কৰিব। আনহাতে ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৩৫ মিনিটত পুৰুষৰ শ্বট পুটৰ এফ ফৰটি ছিক্স শাখাৰ ফাইনেল খেলখন আৰম্ভ হ'ব। ভাৰতৰ শচীন খিলাৰী, মহম্মদ য়াছাৰ আৰু ৰূহীত কুমাৰে এই শাখাত পদক জয়ৰ বাবে চেষ্টা চলাব। ভাৰোত্তোলনত পৰমজীত কুমাৰে পুৰুষৰ ৪৯ কিলোগ্ৰাম শাখাৰ ফাইনেলত অংশগ্ৰহণ কৰিব। শুটিঙত নিহাল সিং, ৰুদ্ৰাংশ খাণ্ডেলৱালে মিক্সড ৫০ মিটাৰ পিষ্টল এছ এইচ ওৱান শাখাত অংশগ্ৰহণ কৰিব। আৰ্চাৰীত হৰবিন্দৰ সিঙে টাইপেইৰ চেং লুং-হুইৰ মুখামুখি হ’ব ।

০০০০০০০

সমাপ্ত